3 (Sem–3/CBCS) ASM HG/RC

**2023**

# ASSAMESE

( Honours Generic/Regular )

Paper : ASM–HG/RC–3016

**( Asamiya Natak Aru Manchakala )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) পুতলা নাচৰ মূল ব্যক্তিজনক কি বুলি কোৱা হয় ?

(খ) খুলীয়া ভাউৰীয়াৰ উদ্ভৱ কোন শ্ৰেণী ওজাপালিৰ পৰা হৈছে বুলি কোৱা হয় ?

(গ) 'বেনা-গান' কোনটো লোকনাট্যানুষ্ঠানৰ অন্য এটি নাম ?

(ঘ) 'জয়ঢোল'ৰ ব্যৱহাৰ অসমৰ কোনটো অঞ্চলত দেখা যায় ?

(ঙ) 'কুশান গান'ৰ নাটৰ বিষয়বস্তু কোনখন মহাকাব্য আশ্ৰিত ?

(চ) 'অগ্নিগড়' কোন শ্ৰেণী নাট্যানুষ্ঠানৰ লগত জড়িত ?

(ছ) কুমাৰ ভাস্কৰ নাট্য মন্দিৰ ক'ত অৱস্থিত ?

(জ) অসমত 'বাটৰ নাট'ৰ সৃষ্টিকৰ্তাজনৰ নাম কি ?

(ঝ) অসমীয়া ভ্ৰাম্যমাণ থিয়েটাৰৰ জন্মদাতা কোন ?

(ঞ) ভাৰতৰ প্ৰথম ভ্ৰাম্যমাণ থিয়েটাৰ দলটিৰ নাম কি ?

২। চমু উত্তৰ দিয়া : ২×৫=১০

(ক) লোকনাট্যানুষ্ঠানৰ প্ৰধান দুটা উপাদান কি কি ?

(খ) দুবিধ পুতলাৰ নাম লিখা।

(গ) গীদাল কোন শ্ৰেণী নাট্যানুষ্ঠানৰ স'তে জড়িত আৰু তেওঁৰ কাম কি ?

(ঘ) একাংকিকা নাটৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(ঙ) বৰ্তমান অসমৰ দুটা ভ্ৰাম্যমাণ নাট্যদলৰ নাম উল্লেখ কৰা।

৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) ওজাপালি

(খ) কুশান গান

(গ) দণ্ড পুতলা

(ঘ) যাত্ৰা

(ঙ) মূকাভিনয়

(চ) ভ্ৰাম্যমাণ থিয়েটাৰৰ মঞ্চ

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) লোকনাট্যানুষ্ঠান মানে কি? অসমৰ পৰম্পৰাগত যি কোনো এটি লোকনাট্যানুষ্ঠানৰ বিষয়ে বহলাই লিখা।

(খ) ব্যাস গোঁৱা ওজাপালি *অথবা* সুকনান্নি ওজাপালি সম্পৰ্কে এটি আলোচনা দাঙি ধৰা।

(গ) সংযুক্তিৰ দিশৰ পৰা পুতলা নাচক কেই ভাগত ভগাব পাৰি? প্ৰতিবিধৰে চমু আলোচনা দাঙি ধৰা।

(ঘ) নাট্যাভিনয়ৰ লগত আলোক ব্যৱস্থাৰ প্ৰয়োজনীয়তা সম্পৰ্কে বহলাই লিখা।

(ঙ) 'নাটক আৰু আৱহ সংগীত'—এই সন্দৰ্ভত এটি নিবন্ধ যুগুত কৰা।

(চ) বাটৰ নাট মানে কি বুজা? অসমীয়া বাটৰ নাট সন্দৰ্ভত এটি আলোচনা দাঙি ধৰা।

(ছ) 'অসমীয়া ভ্ৰাম্যমাণ থিয়েটাৰ আৰু দৰ্শক'—এই সন্দৰ্ভত এটি প্ৰবন্ধ যুগুত কৰা।

(জ) অনাতাঁৰ নাট কাক কোৱা হয়? অসমীয়া অনাতাঁৰ নাট সম্পৰ্কে এটি পৰিচয়মূলক টোকা প্ৰস্তুত কৰা।

★★★